# আগকথা

শব্দ হৈছে ভাষা এটাৰ গুৰুত্বপূৰ্ণ সম্পদ। ভাষা এটাৰ প্ৰকাশিকা শক্তি শব্দৰ ওপৰত নিৰ্ভৰ কৰে। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইয়াত ইণ্ডো-ইউৰোপীয়, চীন-তিব্বতীয়, অষ্ট্ৰিক আৰু দ্ৰাবিড় ভাষাগোষ্ঠীৰ ভাষাসমূহ প্ৰচলিত। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত অসমীয়া ভাষাই এই অঞ্চলৰ প্ৰধান ভাষা। অন্যহাতে, চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী (মিচিং, বড়ো, কাৰ্বি, দেউৰী আদি) আৰু থাই চীন (আহোম, ফাকে, খামতি, খামায়ং, টুৰুং, আইতন) শাখাৰ অন্তৰ্গত ভাষা-ভাষী লোকসকলেও এই অঞ্চলত বসবাস কৰে।

'আইতন ভাষাৰ শব্দাৱলী ঃ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' - বিষয়টো গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত এম. ফিল. পাঠ্যক্ৰমৰ গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰি প্ৰস্তুত কৰা হৈছে। ভাষা আৰু সমাজ এটা আনটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সমাজৰ পৰিৱৰ্তন হ'লে ভাষাটো তাৰ প্ৰভাৱ পৰে। আইতন ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। পৰম্পৰাগত আৰু পৰিৱৰ্তনশীল সমাজ জীৱনৰ পটভূমিৰ আধাৰত আইতন ভাষাৰ শব্দাৱলীৰ বিষয়ে আলোচনা কৰা হৈছে।

এই ক্ষুদ্ৰ গৱেষণা কৰ্মৰ পূৰ্ণতা প্ৰাপ্তিৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপিকা ড° দীপ্তি ফুকন পাটগিৰি বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে এই অধ্যয়নৰ ক্ষেত্ৰত দিয়া বিভিন্ন দিহা-পৰামৰ্শৰ কাৰণে তেওঁলোকলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শিক্ষা জীৱনৰ প্ৰতিটো খোজতে প্ৰেৰণা দি অহা চিৰপূজ্য মা-দেউতালৈ ধন্যবাদ

জনালোঁ। গৱেষণা কৰ্মত ক্ষেত্ৰ অধ্যয়নত বিশেষভাৱে সহায় কৰা গোলাঘাটৰ বৰহোলা অঞ্চলৰ গাঁওবুঢ়াৰ লগতে সমূহ গাঁওবাসীক ধন্যবাদ জনালোঁ।

শেষত এই গৱেষণা গ্ৰন্থখনৰ ডি.টি.পি আৰু ছপাশালৰ দায়িত্ব পালন কৰা অৰ্চনা প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী পাৰ্থপ্ৰতিম পৰাশৰ আৰু পৰী দত্ত বৰুৱালৈ ধন্যবাদ জনালোঁ।

অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

ভাস্কৰজ্যোতি হাজৰিকা
তাৰিখ ঃ ০৩।০৯।২০১৯